**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-MAY-2026 **Time :** 09-00 AM

***Assamese Morning Bulletin***

——————————————

**Headlines (31-05-2026) 0900 Hrs.**

১। ৫ জুনত অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। আজি দিনৰ ১১ বজাত আকাশবাণী যোগে প্ৰধানমন্ত্ৰীৰ **মন কী বাত**।

৩। পৰিস্থিতিয়ে বাধ্য কৰালে দ্বিতীয়বাৰৰ বাবে অপাৰেচন সিন্দুৰ আৰম্ভ কৰিব পৰাকৈ সেনা বাহিনী প্ৰস্তুত বুলি সেনা প্ৰধানৰ প্ৰকাশ।

৪। আজি বিশ্ব ধপাত বিৰোধী দিৱসৰ আয়োজন। গুৱাহাটী মহানগৰ আৰক্ষীৰ ২৬ জন মাদকদ্ৰব্য সৰবৰাহকাৰীক গ্ৰেপ্তাৰ।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি গুজৰাট টাইটানছ, ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সৌজন্যমূলক সাক্ষাৎ কৰে। ৰাজ্যত নতুন চৰকাৰ গঠন কৰাৰ পাছত এয়া আছিল প্ৰধানমন্ত্ৰীৰ সৈতে মুখ্যমন্ত্ৰীৰ প্ৰথমখন আনুষ্ঠানিক বৈঠক। বৈঠকত ড০ শৰ্মাই নিজৰ দ্বিতীয়টো কাৰ্যকাল কিদৰে আগবঢ়াই নিয়াৰ পৰিকল্পনা কৰিছে সেই বিষয়ে প্ৰধানমন্ত্ৰী মোদীক অৱগত কৰে। তেওঁ অসমৰ সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰত আগবঢ়োৱা নিৰৱচ্ছিন্ন সহযোগিতাৰ বাবে প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে আৰু অনাগত সময়ত তেওঁৰ মাৰ্গদৰ্শন তথা আশীৰ্বাদ কামনা কৰে। ইয়াৰ উপৰি ড০ শৰ্মাই অসমত এন ডি এ চৰকাৰে তৃতীয়টো কাৰ্যকালত আৰম্ভ কৰা প্ৰাৰম্ভিক কামকাজৰ বিষয়েও শ্ৰী মোদীক অৱগত কৰে।

পাছত মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱক সাক্ষাৎ কৰে আৰু যোগাযোগ ব্যৱস্থাৰ উন্নয়ন আৰু যাত্ৰীৰ সুবিধা বৃদ্ধিত গুৰুত্ব আৰোপ কৰি ৰাজ্যৰ ৰে'ল আন্তঃগাঁথনিৰ বিকাশ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ উপায় সম্পৰ্কে আলোচনা কৰে। সামাজিক মাধ্যমযোগে বৈঠকৰ সবিশেষ প্ৰকাশ কৰি ড০ শৰ্মাই কয়, যে তেওঁলোকে এহেজাৰ ৩০০ কিলোমিটাৰৰো অধিক ৰে'ল পথৰ সম্প্ৰসাৰণ আৰু অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত ৫০ টাৰো অধিক ষ্টেচনৰ পুনৰ নিৰ্মাণকে ধৰি ৰাজ্যত ৰে'ল নেটৱৰ্কৰ ৰূপান্তৰৰ বিষয়লৈ আলোচনা কৰে। ৰে'ল যোগাযোগ ব্যৱস্থা, পৰিবহন আন্তঃগাঁথনিৰ উন্নয়ন আৰু অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক বিকাশৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ প্ৰচেষ্টাৰ অংশ হিচাপে এই আলোচনা অনুষ্ঠিত হোৱা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে বৰ্তমানৰ প্ৰকল্পসমূহৰ কাম সম্পূৰ্ণ হ'লে যাত্ৰীৰ সুবিধা বৃদ্ধি পাব, সামগ্ৰী পৰিবহন ব্যৱস্থা উন্নত হ'ব আৰু ৰাষ্ট্ৰীয় ৰে'ল নেটৱৰ্কৰ মানচিত্ৰত অসমৰ স্থিতি শক্তিশালী হৈ উঠিব।

০০০

অহা ৫ জুনত অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কিছুসময় পূৰ্বে সামাজিক মাধ্যমযোগে এই কথা সদৰি কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কালি নতুন দিল্লীত সাক্ষাৎ কৰাৰ পাছতে আজি মুখ্যমন্ত্ৰীয়ে এই কথা ঘোষণা কৰে। উল্লেখযোগ্য যে, যোৱা ১২ মে'ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে অতুল বৰা, অজন্তা নেওগ, ৰামেশ্বৰ তেলী আৰু চৰণ বড়োই মন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিছিল।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ **মন কী বাত** অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব বিনিময় কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৪ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০

ভাৰতীয় সেনা বাহিনী বৃহৎ অভিযানৰ বাবে সাজু হৈ আছে আৰু পৰিস্থিতিয়ে বাধ্য কৰিলে দ্বিতীয়বাৰৰ বাবে অপাৰেচন সিন্দুৰ আৰম্ভ কৰিব পৰাকৈ প্ৰস্তুত বুলি সেনা প্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে প্ৰকাশ কৰিছে। মহাৰাষ্ট্ৰৰ পুনেত ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা একাডেমীৰ এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি জেনেৰেল দ্বিবেদীয়ে কালি কয় যে অপাৰেচন সিন্দুৰে সুৰক্ষাৰ ক্ষেত্ৰত আহি পৰা যিকোনো ধৰণৰ প্ৰত্যাহ্বান ৰোধ কৰিবলৈ ভাৰতৰ যে সামৰিক যোগ্যতা আছে, সেই কথাকে প্ৰতিপন্ন কৰিলে। অপাৰেচন সিন্দুৰৰ জৰিয়তে দেশবাসীৰ সেনা বাহিনীৰ প্ৰতি থকা আস্থা আৰু বিশ্বাসক প্ৰতিয়মান কৰিলে বুলি শ্ৰীদ্বিবেদীয়ে কয়। তেওঁ ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা একাডেমীখনৰ পৰা স্নাতক হোৱা শিক্ষাৰ্থীসকলক দেশ প্ৰেম, নেতৃত্বৰ গুণ আৰু দেশৰ প্ৰতি সেৱাৰ মনোভাবেৰে আগবাঢ়ি যাবলৈ আহ্বান জনায়। সেনা প্ৰধানগৰাকীয়ে সুৰক্ষাজনিত পৰিৱেশত অবিৰত শিক্ষণ আৰু পৰিৱেশৰ প্ৰতি যোগাত্মক দৃষ্টিভংগী ৰখাৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে।

**(বাইট)** উপেন্দ্ৰ দ্বিবেদী

০০০০০০০০০

ধপাতমুক্ত এখন সুন্দৰ সমাজ গঢ়াৰ লক্ষ্যৰে আজি সমগ্ৰ বিশ্বৰ লগতে অসমতো বিশ্ব ধপাত বিৰোধী দিৱস উদযাপন কৰিবলৈ লোৱা হৈছে। এইবাৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে- মাদক দ্ৰব্য আৰু ধপাত জাতীয় সামগ্ৰীৰ আসক্তি প্ৰতিহত কৰাৰ বাবে আসক্তিৰ আঁৰৰ সত্য উন্মোচন কৰা। উল্লেখযোগ্য যে, প্ৰতিবছৰে ধপাত জাতীয় সামগ্ৰীত আসক্ত হোৱাৰ ফলত বিশ্বৰ ৮ নিযুতৰো অধিক লোকৰ মৃত্যু হয়। ইয়াৰে ১ দশমিক ৩ নিযুত লোকৰ পৰোক্ষভাৱে অৰ্থাৎ ধপাত সেৱন কৰা লোকৰ কাষত থকা বাবে বা ধোঁৱাৰ পৰা হোৱা ক্ষতিৰ ফলত মৃত্যু হয়। এই দিৱস উপলক্ষে গুৱাহাটীকে ধৰি ৰাজ্যৰ বিভিন্ন স্থানত সজাগতা কাৰ্য্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ধপাত বিৰোধী সমদল, সভা-সমিতি আয়োজন কৰি সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হৈছে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি কোনো কোনো ঠাইত বাটৰ নাটৰো আয়োজন কৰা হৈছে।

০০০০০০০০

গুৱাহাটী মহানগৰ আৰক্ষীয়ে মহানগৰখনত মাদক দ্ৰব্য সৰবৰাহকাৰীৰ বিৰুদ্ধে কঠোৰ অভিযান চলায় কমেও ২৬ জন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছে। গুৱাহাটীৰ আৰক্ষী আয়ুক্তৰ নেতৃত্বত পল্টন বজাৰ ৰে'ল ষ্টেচনৰ পৰা কামাখ্যা ৰে'ল ষ্টেচনলৈ আৰক্ষীয়ে ৰে'ল আৰক্ষীৰ সহযোগত চলোৱা অভিযানত লোক সকলৰ পৰা ২৯ গ্ৰাম হেৰইন আৰু অন্যান্য সামগ্ৰী জব্দ কৰা হয়। জব্দ কৰা সামগ্ৰী সমূহ আৰক্ষীয়ে নিজৰ জিম্মাত লৈ আইনী প্ৰক্ৰিয়া আৰম্ভ কৰিছে। অভিযান কালত ৰে'ল পথৰ কাষৰ অবৈধ ভাঙ খেতিও নষ্ট কৰা হয়। পাণবজাৰ থানাত আয়োজিত এখন সংবাদমেলত গুৱাহাটীৰ যুটীয়া আৰক্ষী আয়ুক্ত অংকুৰ জৈনে অভিযান সন্দৰ্ভত সদৰি কৰি কয় যে, ৰে'ল কৰিডৰ সমূহত সংঘটিত অপৰাধমূলক আৰু অবৈধ কাৰ্যকলাপ ৰোধ কৰাৰ বাবে এই অভিযান চলোৱা হৈছে। মাদক দ্ৰব্যৰ বিৰোধি অভিযানৰ সমান্তৰালকৈ ৰে'ল বিভাগৰ মাটিত অবৈধ দখল উচ্ছেদ অভিযানো চলোৱা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

**(বাইট) অংকুৰ জৈন**

যোৰহাট জিলাত মাদক দ্ৰব্যৰ বিৰুদ্ধে সচেতনতা সৃষ্টিৰ বাবে স্বাস্থ্য বিভাগে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। জিলাখনত মাদক দ্ৰব্যৰ ব্যৱহাৰ বৃদ্ধি পোৱাৰ লগতে কেইবাজনো লোকৰ দেহত এইচ আই ভিৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত বিভাগে এই ব্যৱস্থা লৈছে বুলি বিভাগীয় সূত্ৰই প্ৰকাশ কৰে।

(বাইট)

জিলাখনত আৰক্ষীয়েও মাদক দ্ৰব্য সৰবৰাহকাৰীৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰিছে।

০০০০০০০০

ৰাভা জনগোষ্ঠীয় লোক সকলে আজি আজি পবিত্ৰ বাইখো উৎসৱ পালন কৰিছে। জেঠ মাহৰ পূৰ্ণিমা তিথিত এই উৎসৱ পালন কৰা হয়। বাইখো উৎসৱক ৰাভা জনগোষ্ঠীয় লোকসকলে জাতীয় উৎসৱ হিচাপে গ্ৰহণ কৰি আহিছে। কৃষিজীৱি লোক সকলে বাৰিষাৰ পূৰ্বে খেতি-বাতি ভাল হোৱাৰ লগতে কীট পতংগই যাতে শস্যৰ অনিষ্ট কৰিব নোৱাৰে সেই কামনাৰে এই উৎসৱ পালন কৰে। গোৱালপাৰা জিলাৰ অন্যান্য ঠাইৰ লগতে পশ্চিম দাইৰং আয়া বাইখো থানত এই উৎসৱ পালন কৰা হৈছে। দুধনৈ আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ উদ্যোগত দুধনৈ ৰাজহুৱা খেলপথাৰত কালিৰে পৰা তিনিদিনীয়াকৈ এই উৎসৱ পালন কৰা হৈছে।

০০০০০০০০

গুৱাহাটী মহানগৰক পৰিস্কাৰ-পৰিচ্ছন্নকৈ ৰখাৰ বাবে পৌৰ নিগমে এলানি বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। স্বচ্ছ অভিযানক জন আন্দোলনলৈ ৰূপান্তৰিত কৰাৰ বাবে পৌৰ নিগমে পুনৰ স্বচ্ছতা বিষয়ক প্ৰতিযোগিতাৰ আয়োজন কৰিছে। এই সন্দৰ্ভত পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই সংবাদমেল সম্বোধন কৰি কয়, যে মহানগৰীৰ উন্নয়ন সমিতি, নাগৰিক সমিতি, মহিলা সমিতিকে ধৰি ক্লাবসমূহৰ মাজত স্বচ্ছতা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাৰ বাবে অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে পৰহিলৈৰ পৰা ১৫ জুনলৈকে নাম পঞ্জীয়ন কৰিব পাৰিব। এই প্ৰতিযোগিতাত সৰ্বমুঠ ১৫০ নম্বৰ থাকিব বুলি সদৰি কৰি শ্ৰীশৰণীয়াই কয়, যে প্ৰতিযোগী অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে স্বচ্ছতাৰ ভিন ভিন দিশত নম্বৰ লাভ কৰিব। ইয়াৰ ভিতৰত শুকান আৰু ভিজা জাবৰ পৃথক কৰাৰ ক্ষেত্ৰত ১০ নম্বৰ, প্লাষ্টিক, জাবৰমুক্ত নলা-নৰ্দমাৰ ক্ষেত্ৰত ১০ নম্বৰ, মুকলি স্থানত জাবৰ নাথাকিলে ১০ নম্বৰ, বৃক্ষ ৰোপণত ১০ নম্বৰ আৰু দেৱাল লিখনৰ ক্ষেত্ৰত ১০ নম্বৰকৈ থাকিব। ইয়াৰ লগতে ঘৰ, দোকান, দেৱাল আদিত কপৌফুলৰ সৈতে সামঞ্জস্য ৰাখি পাতল বেঙুনীয়া ৰং ব্যৱহাৰ কৰিলে ৫০ নম্বৰ লাভ কৰিব। গুৱাহাটী মহানগৰক বেঙুনীয়া নগৰ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি মেয়ৰ মৃগেন শৰণীয়াই জানিবলৈ দিয়ে।

মুঠ ছটা সংমণ্ডলৰ অধীনত হ'বলগীয়া এই প্ৰতিযোগিতাত প্ৰতিটো সংমণ্ডলত তিনিটা পুৰস্কাৰ থাকিব। প্ৰথম পুৰস্কাৰ ৩ লাখ টকা, দ্বিতীয় পুৰস্কাৰ ২ লাখ আৰু তৃতীয় পুৰস্কাৰ হিচাপে ১ লাখ টকা থাকিব। ৫০ হাজাৰ টকাকৈ তিনিটা নিচুকনি পুৰস্কাৰৰ ব্যৱস্থা কৰা হ'ব। আটাইকেইটা সংমণ্ডলৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ প্ৰতিযোগীক ৫ লাখ টকা পুৰস্কাৰ হিচাপে প্ৰদান কৰা হ'ব।

গুৱাহাটী মহানগৰৰ স্বচ্ছতাৰ মান উন্নত কৰাৰ বাবে এহেজাৰ স্বচ্ছ সখী নিয়োগ কৰাৰ লগতে জুন মাহৰ পৰা ঘৰে ঘৰে জাবৰ সংগ্ৰহৰ বাবদ ৩০ টকাকৈ আদায় লোৱা বুলি শ্ৰীশৰণীয়াই সংবাদমেলত উল্লেখ কৰে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদত হ'বলগীয়া ফাইনেলত গুজৰাট টাইটানছ যোৱাবাৰৰ চেম্পিয়ন ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। গুজৰাট টাইটানছে দ্বিতীয়খন কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছক ৭ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৱে প্ৰথমখন কোৱালিফায়াৰত গুজৰাট টাইটানছক ৯২ ৰাণত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০

News paper review (31/05/26)

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰধানমন্ত্ৰীক সাক্ষাৎ, ৰাজ্যত বাছভাড়া বৃদ্ধি, অসম বিধান সভাৰ বিত্তীয় কেলেংকাৰি, অসমৰ পৰা কেইবা হাজাৰ বাংলাদেশীক বিতাৰণৰ সম্ভাৱনা আদি খবৰে আজিৰ বাতৰি কাকতসমূহৰ শিৰোনাম দখল কৰিছে।

দ্বিতীয়বাৰলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰীৰূপে শপত লোৱা ড ° হিমন্ত বিশ্ব শৰ্মাই কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক নতুন দিল্লীত সাক্ষাৎ কৰে। এই সাক্ষাৎ তথা দুয়োৰে মাজত হোৱা আলোচনা সন্দৰ্ভত একোটা বাতৰি আজি – 'অসমীয়া প্ৰতিদিন' কাকতে – "অৱগত কৰিলে ৰাজ্যৰ বিকাশৰ ৰূপৰেখা, প্ৰধানমন্ত্ৰী মোদীক সাক্ষাৎ মুখ্যমন্ত্ৰী শৰ্মাৰ" আৰু দি আছাম ট্ৰিবিউন কাকতে " CM meets PM, seeks guidance for NDA 3.0 govt." শীৰ্ষকেৰে প্ৰকাশ কৰিছে। দা ছেন্টিনেল কাকতেও বাতৰিটো " CM Sarma briefs PM Modi on priorities of NDA 3.0 in Assam" শীৰ্ষকেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱক সাক্ষাৎ কৰাৰ বাতৰিটোও কেইবাখনো কাকতত স্থান পাইছে।

অসম বিধান সভাৰ তদানীন্তন সচিব দুলাল পেগুৰ কাৰ্যকালত সংঘটিত হাজাৰ কোটিটকীয়া কেলেংকাৰিকলৈ সৃষ্টি হোৱা চাঞ্চল্য আৰু বিধান সভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে ইয়াৰ তদন্তৰ বাবে সমিতি গঠনৰ ঘোষণা কৰাৰ বাতৰিটো আজিৰ কেইবাখনো কাকতত বিশেষ গুৰুত্ব লাভ কৰিছে। দৈনিক অসম কাকতত বাতৰিটোৰ শীৰ্ষক – "বিধান সভাৰ তদানীন্তন সচিব দুলাল পেগুৰ কাৰ্যকালৰ প্ৰতিটো ফাইলতে অনিয়মৰ তথ্য – ৫ বছৰত এহেজাৰ কোটিৰ কেলেংকাৰি"। 'দৈনিক জনমভূমি' কাকতত বাতৰিটোৰ শিৰোনাম – " বিশ্বজিৎ দৈমাৰীৰ আমোলৰ দুৰ্নীতিৰ হ'ব তদন্ত, মুঠ ৪৭জন বিষয়া–কৰ্মচাৰী–শ্ৰমিকক অব্যাহতি"।

ইন্ধনৰ দামবৃদ্ধিৰ মাজতে আন্তঃজিলা বাছবৃদ্ধিৰ এটা খবৰকো আজি কাকতসমূহে প্ৰাধান্য প্ৰদান কৰিছে। বাতৰিটো "ৰাজ্যত বাছ–ভাড়া প্ৰতি আসনত ১০০ টকা পৰ্যন্ত বৃদ্ধি" শিৰোনামেৰে 'দৈনিক অগ্ৰদূত' কাকতে আৰু "গুৱাহাটীৰ পৰা তিনিচুকীয়া জিলালৈ ভাড়া ১১শ টকা পৰ্যন্ত – বাছভাড়া বাঢ়িল ১৫%" শিৰোনামেৰে 'আমাৰ অসম' কাকতে প্ৰকাশ কৰিছে।

বিগত সময়ছোৱাত অসমত কৰায়ত্ত হোৱা দুহেজাৰৰো অধিক সন্দেহজনক বাংলাদেশীক বিতাৰণৰ বাবে চলা তৎপৰতা সন্দৰ্ভত এটা বাতৰি 'অসমীয়া খবৰ' কাকতে "কঠোৰ কেন্দ্ৰ – সত্যতা নিৰূপণৰ বাবে ঢাকালৈ তালিকা প্ৰেৰণ, শুভ সংবাদৰ আশাত অসম আৰক্ষী – অসমৰ পৰা বহিষ্কাৰ হ'ব ২,৬৮০ বাংলাদেশী" – শিৰোনামেৰে প্ৰকাশ কৰিছে।

এতিয়া আহক, আমি বাতৰিৰ মাজলৈ ওভতো।

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনীৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মেঘালয়, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ ঠাই বিশেষে পাতলীয়া পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০০

**সমাপ্ত**